# শুকান হাড়ৰ উপত্যকা

পৱিত্ৰ আত্মাই আমাক কেনেকৈ নতুন কৰে ল'ৰা-ছোৱালীক ব্যাখ্যা কৰক।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, আপোনাৰ লগত অনন্তকাল জীয়াই থাকিবলৈ, আপুনি যে আশা দিব পাৰে তাক ল'ৰা-ছোৱালীক কওক।"

তলত দিয়া ল'ৰা-ছোৱালীৰ শিকিব লগা কামৰ যিকোনো এটা বাচি লওক।

ঈশ্বৰে যিহিষ্কেল ভাববাদীক দিয়া দৰ্শনৰ কথাখিনি **(যিহিষ্কেল ৩৭ঃ১-৪)** কোনো এজন ল'ৰা/ছোৱালী অথবা শিক্ষকক পঢ়িবলৈ কওক। যিহিষ্কেল ভাববাদীৰ দ্বাৰা ঈশ্বৰে কৰা প্ৰতিজ্ঞা যে তেওঁ ইস্ৰায়েল লোকবিলাকক ৰক্ষা কৰাৰ আশা দিছিল, সেই কথা প্ৰথমে সিহঁতক মনোযোগ দি শুনিবলৈ কওক।



গল্পটি কোৱাৰ পিছত তলত দিয়া প্ৰশ্নবোৰ কৰক। (প্ৰয়োজন হ'লেহে উত্তৰবোৰ ক'ব)।

- হাড়েৰে ঢাকি থকা উপত্যকাখন ভাববাদীক কোনে দেখুৱাইছিল?

  *উত্তৰ ঃ ১ পদ।*
- হাড়বোৰক ভাববানী কওঁতে যিহিষ্কেলে কি শুনিছিল?

  *উত্তৰ ঃ ৭ পদ।*
- ঈশ্বৰৰ বিশ্বাসে হাড়বিলাকক কি কৰালে?

  *উত্তৰ ঃ ১০ পদ।*
- হাড়বোৰে কাৰ প্ৰতিনিধিত্ব কৰিছে?

  *উত্তৰ ঃ ১১ পদ। এইবোৰ তেওঁৰ লোকবিলাকৰ হাড়।*
- যাতে যেন তেওঁবিলাকে পুনৰ জীয়াই থাকিব পাৰে, ঈশ্বৰে তেওঁৰ লোকবিলাকক কি দিবলৈ প্ৰতিজ্ঞা কৰিছিল?

  *উত্তৰ ঃ ১৪ পদ।*

**গল্পটিৰ কিছু অংশ নাটক কৰি দেখুৱাওক।**

- নাটকখন দেখুওৱাবলৈ মণ্ডলীৰ উপাসনাৰ প্ৰধান চলাওঁতাৰ লগত যোগাযোগ কৰক।
- প্ৰস্তুতিৰ নিমিত্তে ল'ৰা-ছোৱালীৰ লগত সময় দিয়ক।
- গল্পটিৰ গোটেই অংশ ব্যৱহাৰ নকৰিলেও হ'ব।

- নাটকখন কৰাৰ ভাগবোৰ **ডাঙৰ ল'ৰা/ছোৱালী** অথবা বয়সীয়া লোকক দিয়ক।
  **বৰ্ণনাকাৰী**। গল্পটি সংক্ষেপে কওক আৰু কি ক'ব লাগে ল'ৰা-ছোৱালীয়ে মনত পেলোৱাত সহায় কৰক।
  **ঈশ্বৰৰ মাত**
  **যিহিষ্কেল**
- **সৰু সৰু ল'ৰা/ছোৱালীক** এইবোৰৰ ভাগ দিয়ক ঃ
  **হাড়বোৰ**। চকুমুদি মজিয়াত পৰি থাকক।
  **বতাহ**।

**শুকান হাড়ৰ দৰ্শন**

**বৰ্ণনাকাৰী** ঃ যিহিষ্কেল ৩৭ঃ১-১৪ লিখা দৰ্শনটি কওক। তাৰ পিছত কওক। "ঈশ্বৰে কি কৈছে শুনা"।

**ঈশ্বৰৰ মাত** ঃ "যিহিষ্কেল, মই তোমাক মোৰ লোকসমূহৰ ভৱিষ্যত দেখুৱাবলৈ খোঁজো। হাড়ৰে পোত থকা ই উপত্যকাখনলৈ চোৱা। হাড়বোৰ পুনৰ লগ লাগি জীৱন পাব পাৰে বুলি তুমি ভাবানে?

**যিহিষ্কেল** ঃ "কেৱল আপুনিহে তাক জানে, প্ৰভু"।

**ঈশ্বৰৰ মাত** ঃ "মই এই হাড়বোৰ গোটাম আৰু তাত প্ৰাণ বায়ু দিম বুলি তেওঁবিলাকক কোৱা"।

**যিহিষ্কেল** ঃ "শুকান হাড়বিলাক, তোমালোক জীবা"।

**হাড়বিলাক** ঃ "তুমি চাই থাকোঁতে মৰ্ মৰ্ শব্দ হ'ল আৰু হাড়বোৰ গোট খাই নিজ নিজ হাড়ত লাগিল।

**যিহিষ্কেল** ঃ "এতিয়া ঈশ্বৰে তোমালোকৰ ভিতৰত প্ৰাণবায়ু সুমুৱাব আৰু তোমালোক জীৱিত হ'বা। বতাহ বলোৱা!"

**বতাহ** ঃ হাড়বোৰলৈ জোৰকৈ বতাহ বলোৱা।

**হাড়বোৰ** ঃ জাপ মাৰি সৈন্যৰ দৰে নিজ নিজ ভৰিত ভৰ দি থিয় হ'ল। এতিয়া কোৱা, "ঈশ্বৰে আমাক জীৱন দিলে"।
"আমি একমাত্ৰ আৰু সৰ্ব্বশক্তিমান ঈশ্বৰৰ প্ৰশংসা কৰোঁ।"
"তেওঁৰ লগত অনন্তকালৰ বাবে জীয়াই থাকিবলৈ সৰ্ব্বশক্তিমান জনাই মৃতলোকক তুলিলে!"

**বৰ্ণনাকাৰী বা ডাঙৰ কোনো ল'ৰা/ছোৱালীয়ে** নাটকত সহায় কৰা আটাইকে ধন্যবাদ দিব।

**প্ৰশ্নবোৰ সোধক ঃ** ল'ৰা-ছোৱালীয়ে যদি নাটকখন ডাঙৰবিলাকৰ বাবে কৰে তেনেহ'লে ওপৰত দিয়া প্ৰশ্নবোৰ তেওঁলোকক সোধক।

**প্ৰশ্ন কৰক ঃ** ভৱিষ্যত আমালৈ পূৰ্ণ কৰাৰ কি কি প্ৰতিজ্ঞাৰ উদাহৰণবোৰ ঈশ্বৰে আমালৈ কৰিছে? ( ল'ৰা-ছোৱালী অথবা ডাঙৰ সকলোকে উদাহৰণবোৰ ক'বলৈ কওক)

মানুহৰ এটি জঁকা ডাঙৰকৈ আঁকক।

- আপুনি অঁকা ডাঙৰ ছবিখন কাটি ল'ৰা-ছোৱালীক পুনৰ লগ লগাবলৈ দিয়ক।
- ল'ৰা-ছোৱালীক ছবিখন পুনৰ আঁকিবলৈ কওক।
- ডাঙৰ ল'ৰা-ছোৱালীক সৰুবোৰক সহায় কৰিবলৈ কওক।
- ছবিখন উপাসনাৰ সময়ত অথবা ঘৰত ডাঙৰবোৰক দেখুৱাব পাৰে।
- যিমানেই কি বেয়া নহয়, ঈশ্বৰৰ আত্মাই যে যিকোনো ব্যক্তিক পৰিবৰ্ত্তন কৰিব পাৰে সেই কথাকে হাঁড়বোৰে বুজায় বুলি ল'ৰা-ছোৱালীক বৰ্ণনা কৰিব পাৰে।
- হাঁড়বোৰে আমাক এই কথাও সোঁৱৰায় যে তেওঁৰ লগত গৌৰৱৰে অনন্তকাল থাকিবলৈ ঈশ্বৰে আমাক মৃত্যুৰ পৰা তুলিব।



- যীচুৰ যোগেদিহে আমি অনন্ত জীৱন পালো; কাৰণ তেওঁ আমাৰ হৈ নিজৰ ওপৰত পাপ ভাৰ ল'লে আৰু আমাৰ পাপৰ বেচ দিলে। আৰু আমাক লগত ৰাখিবলৈ তেওঁ মৃত্যুৰ পৰা পুনৰ উঠিল। আমি অনুসৰণ কৰাৰ এটা পথ তেওঁ আমালৈ তৈয়াৰ কৰিলে।

  মুখস্থ কৰক ঃ দ্বিতীয় বিৱৰণ ৭ঃ১৪

  পদ্য মুখস্থ কৰা ঃ যিৰিমিয়া ৩১ঃ৩৩,৩৪ পদ দুটা ল'ৰা-ছোৱালীক মুখস্থ মাতিবলৈ দিয়ক।

পৱিত্ৰ আত্মাই আমাক কেনেকৈ জীৱন দান দিয়ে সেই বিষয়ে ডাঙৰ ল'ৰা-ছোৱালীয়ে পদ্য, গীত অথবা নাটক লিখিব পাৰে।

**প্ৰাৰ্থনা** ঃ "প্ৰিয় প্ৰভু, কেৱল আপুনিহে শুকান হাঁড়বোৰক তুলিব আৰু খোজ কঢ়াব পাৰে। আমাৰ মৃত্যুৰ পিছত আমাক আপুনি উশাহ দিব পাৰে। আমি আত্মি ভাবে পাপত মৰা কিন্তু আপুনি আমাক নতুন, পৱিত্ৰ জীৱন অনন্তকালৰ বাবে প্ৰদান কৰিলে"।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net